মোবাইল ফ্ৰেইণ্ডলি
অষ্টম বৰ্ষপূৰ্তিত
News Next Oneৰ
বিশেষ সংযোজন
অনলাইন দৈনিক

www.newsnextone.com
# e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

FRIDAY, APRIL 12, 2024 | www.newsnextone.comৰ অনলাইন দৈনিক ।। প্ৰথম বছৰ, সংখ্যা ১০৪ | Guwahati, Assam ।। মূল্যঃ এটকা

## মন্দিৰৰ ড্ৰেছকোড
# পুৰোহিতৰ বেশত আৰক্ষী

**নতুন দিল্লী, ১১ এপ্ৰিলঃ** গাত পিত বস্ত্ৰ, কপালত তিলক, ডিঙিত ৰুদ্ৰাক্ষৰ মালা পিন্ধি এইবাৰ কৰ্তব্যৰত হব আৰক্ষী। পৰম্পৰাগত আৰক্ষীৰ খাকী পোছাকৰ বিপৰীতে এতিয়াৰে পৰা বাৰণসীৰ কাশী বিশ্বনাথ মন্দিৰত কৰ্তব্যৰত আৰক্ষীৰ বাবে নিৰ্ধাৰণ কৰা হৈছে শেষাংশ ২ পৃষ্ঠাত

# অহা ৪ জুনত পুনৰাবৃত্তি ঘটিব ২০০৪ চনৰ!

**ই-সংবাদ, ১১ এপ্ৰিলঃ** ২০০৪ চনত নিৰ্বাচন মাত্ৰ ২০ দিনতে সম্পন্ন হৈছিল। কিন্তু এতিয়া ডিজিটেল ইণ্ডিয়াৰ যুগত ৪০ দিন ধৰি দেশত নিৰ্বাচন চলিছে। এয়াই হৈছে মোদী চৰকাৰৰ শেষাংশ ৩ পৃষ্ঠাত

## অমিত শ্বাহৰ দাবী
# পৰিয়ালৰহে সংস্থাপন বিচাৰে বিৰোধীয়ে!

**নতুন দিল্লী, ১১ এপ্ৰিলঃ** লোকসভা নিৰ্বাচনৰ প্ৰচাৰত বংশবাদ আৰু নেপোটিজিমক লৈ বিৰোধীৰ ঐক্য ইণ্ডিয়া মিত্ৰজোঁটৰ বিৰুদ্ধে সৰৱ হৈ পৰিল কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ। আজি মধ্যপ্ৰদেশৰ কাটনিত এক নিৰ্বাচনী শেষাংশ ২ পৃষ্ঠাত

# পুলৱামাত গুলীয়াগুলী, নিহত সন্ত্ৰাসবাদী

**পুলৱামা, ১১ এপ্ৰিলঃ** জম্মু-কাশ্মীৰৰ পুলৱামাত পুনৰ সন্ত্ৰাসবাদ নিৰ্মূলত সফলতা লাভ কৰিবলৈ সক্ষম হল নিৰাপত্তা বাহিনী। বৃহস্পতিবাৰে পুৱাৰে পৰা পুলৱামৰ মুৰান অঞ্চলৰ ফ্ৰাচিপোৰাত সন্ত্ৰাসবাদীৰ বিৰুদ্ধে শেষাংশ ২ পৃষ্ঠাত

৭ পৃষ্ঠাত **তেজপুৰত আপৰ বিশাল ৰোড শ্ব'ত ভাগ ল'লে আতিশীয়ে**


৪ পৃষ্ঠাত **বিজেপিত যোগদান ধেমাজি জিলা ছাত্ৰ সন্থাৰ প্ৰাক্তন সম্পাদকৰ**



শিৱসাগৰত এনেকৈ ঈদৰ নামাজ পঢ়া দেখা গল গৌৰৱ গগৈ আৰু অখিল গগৈক, বৃহস্পতিবাৰে

# আগ্ৰাসী চীনক লৈ পুনৰ নৰম হ'ল প্ৰধানমন্ত্ৰীৰ সুৰ

## মাৰ্কিন আলোচনীৰে বাৰ্তালাপত একাধিক মন্তব্য কৰিলে পিএম মোদীয়ে




**নতুন দিল্লী, ১১ এপ্ৰিলঃ** ভাৰতৰ ভূমিত দখল আৰু ভাৰতৰ অভিন্ন অংশৰ নাম সলনিক লৈ ৰঙা চীনৰ বিৰুদ্ধে সৰৱ চৰ্চা অব্যাহত থকাৰ সময়তে চীনক লৈ পুনৰ এবাৰ নৰম স্থিতি গ্ৰহণ কৰা দেখা গ'ল প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক। আমেৰিকাৰ বিখ্যাত সাপ্তাহিক আলোচনী "নিউজৱিক"ৰ সৈতে হোৱা বাৰ্তালাপত প্ৰধানমন্ত্ৰী মোদীয়ে কয় যে চীনৰ সৈতে সম্পৰ্ক ভাৰতৰ বাবে গুৰুত্বপূৰ্ণ আৰু তাৎপৰ্যপূৰ্ণ। মোদীয়ে কয়, "যাতে বিতৰ্কবোৰ দূৰ কৰিব পাৰি তাৰ বাবে শেষাংশ ২ পৃষ্ঠাত

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# আগ্ৰাসী চীনক লৈ পুনৰ

আমাৰ সীমান্তৰ দীৰ্ঘদিনীয়া পৰিস্থিতিৰ বিষয়ে আলোচনা কৰা উচিত বুলি মই ভাৱো। ভাৰত আৰু চীনৰ মাজত সুস্থিৰ আৰু শান্তিপূৰ্ণ সম্পৰ্ক কেৱল আমাৰ দুয়োখন দেশৰ বাবেই নহয়, সমগ্ৰ অঞ্চলটোৰ লগতে বিশ্বৰ বাবেও গুৰুত্বপূৰ্ণ।" প্ৰধানমন্ত্ৰী মোদীয়ে কয় যে মই আশা কৰিছো আৰু বিশ্বাস কৰোঁ যে কূটনৈতিক আৰু সামৰিক পৰ্যায়ত ইতিবাচক আৰু গঠনমূলক দ্বিপাক্ষিক সংযোগৰ জৰিয়তে আমি আমাৰ সীমান্তত শান্তি আৰু স্থিতিশীলতা পুনৰুদ্ধাৰ আৰু বজাই ৰাখিবলৈ সক্ষম হ'ম। ইফালে পাকিস্তানৰ বিষয়ত প্ৰধানমন্ত্ৰী মোদীয়ে কয় যে মই পাকিস্তানৰ প্ৰধানমন্ত্ৰীক কাৰ্যভাৰ গ্ৰহণ কৰাৰ বাবে অভিনন্দন জনাইছো। ভাৰতে সদায় সন্ত্ৰাস আৰু হিংসামুক্ত পৰিৱেশত নিজৰ অঞ্চলত শান্তি, নিৰাপত্তা আৰু সমৃদ্ধিৰ সন্ধানৰ পোষকতা কৰি আহিছে। ইমৰাণ খানৰ কাৰাবন্দী সন্দৰ্ভত সোধাত প্ৰধানমন্ত্ৰী মোদীয়ে কয় যে তেওঁ পাকিস্তানৰ আভ্যন্তৰীণ বিষয়ত কোনো মন্তব্য নকৰে। নিউজৱিকক দিয়া এক বিশেষ সাক্ষাৎকাৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে তেওঁৰ নেতৃত্বত ভাৰতৰ অৰ্থনৈতিক অগ্ৰগতি, আন্তঃগাঁথনিৰ উন্নয়ন, পৰিৱেশৰ সমস্যা, চীনৰ সৈতে ভাৰতৰ সম্পৰ্ক আৰু সংবাদ মাধ্যমৰ স্বাধীনতা হ্ৰাস কৰাৰ অভিযোগৰ বিষয়েও কয়। প্ৰধানমন্ত্ৰী মোদীয়ে কয় যে আমাৰ প্ৰতিশ্ৰুতি পূৰণৰ এক উৎকৃষ্ট ট্ৰেক ৰেকৰ্ড আছে। মানুহৰ বাবে এইটো এটা ডাঙৰ কথা, কাৰণ তেওঁলোকে কেতিয়াও পূৰণ নোহোৱা প্ৰতিশ্ৰুতি শুনিবলৈ অভ্যস্ত আছিল। আমাৰ চৰকাৰে "সবকা সাথ, সবকা বিকাশ, সবকা বিশ্বাস, সবকা প্ৰয়াস" এই মূলমন্ত্ৰৰে কাম কৰিছে। তেওঁ কয় যে আমাৰ এই কাৰ্যসূচীৰ পৰা যদি আন কোনোবাই লাভৱান হৈছে তেন্তে তেওঁলোকৰ ওচৰলৈও যাব পাৰিব বুলি ৰাইজে আত্মবিশ্বাসী। মানুহে দেখিছে যে ভাৰত ১১ নং বৃহত্তম অৰ্থনীতিৰ পৰা পঞ্চম বৃহত্তম অৰ্থনীতিলৈ গতি কৰিছে। এতিয়া আকাংক্ষা হৈছে যে ভাৰত অতি সোনকালে বিশ্বৰ তৃতীয় বৃহত্তম অৰ্থনীতি হোৱাতো।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# পৰিয়ালৰহে সংস্থাপন বিচাৰে

জনসভাত অংশ লৈ অমিত শ্বাহে কয় যে কংগ্ৰেছ দলে ৭০ বছৰ ধৰি জাতিবাদ, নেপোটিজিম আৰু দুৰ্নীতিৰ ভিত্তিত শাসন চলাই আহিছিল। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দেশৰ পৰা জাতিবাদ, নেপোটিজিম আৰু দুৰ্নীতি দূৰ কৰা বুলিও মন্তব্য কৰে শ্বাহে। তেওঁ কয় যে মোদীৰ বাবে মাত্ৰ চাৰিটা জাতি, সেয়া হৈছে দুখীয়া, যুৱক-যুৱতী, খেতিয়ক আৰু মহিলা। তেওঁলোকৰ সৱলীকৰণ মোদী চৰকাৰৰ লক্ষ্য। গৃহমন্ত্ৰীগৰাকীয়ে কয় যে বংশ মিত্ৰতাৰ লক্ষ্য নিজৰ পুত্ৰ, কন্যা আৰু ভতিজালৈ ক্ষমতা অনা। শৰদ পাৱাৰৰ উদ্দেশ্য তেওঁৰ কন্যাক মুখ্যমন্ত্ৰী কৰি তোলা, উদ্ধৱ থাকৰেৰ উদ্দেশ্য তেওঁৰ পুত্ৰক মুখ্যমন্ত্ৰী কৰা, ষ্টেলিনৰ লক্ষ্য তেওঁৰ পুত্ৰক মুখ্যমন্ত্ৰী কৰা, মমতাৰ লক্ষ্য বংগত তেওঁৰ ভতিজাক মুখ্যমন্ত্ৰী কৰা আৰু ছোনিয়া গান্ধীৰ লক্ষ্য ৰাহুল গান্ধীক প্ৰধানমন্ত্ৰী কৰি তোলা। অমিত শ্বাহে কয় যে এই বংশবাদী দলসমূহে কেতিয়াও দুখীয়া, দলিত, কৃষক, যুৱক-যুৱতী, জনজাতীয়, পিছপৰা জনগোষ্ঠী আৰু মহিলাৰ কোনো উপকাৰ কৰিব নোৱাৰে। যদি কোনোবাই দুখীয়া, দলিত, কৃষক, যুৱক-যুৱতী, আদিবাসী, মহিলা আৰু পিছপৰা সমাজৰ ভাল কাম কৰিব পাৰে তেন্তে সেয়া হৈছে মোদী চৰকাৰ। তেওঁ কয় যে উজ্জ্বলা আঁচনিৰ অধীনত মোদী চৰকাৰে মহিলাসকলক ধোঁৱাৰ পৰা মুক্ত কৰিছে। আয়ুষ্মান যোজনাৰ অধীনত দৰিদ্ৰসকলক ৫ লাখ টকা পৰ্যন্ত বিনামূলীয়া চিকিৎসাৰ সুবিধা প্ৰদান কৰা হৈছে আৰু প্ৰধানমন্ত্ৰী কিষাণ সন্মান নিধি যোজনাৰ অধীনত কৃষকক বছৰি ৬ হাজাৰ টকাকৈ আগবঢ়োৱা হৈছে। শ্বাহে কয় যে, ইণ্ডিয়া মিত্ৰজোঁটে দুখীয়াৰ কোনো উপকাৰ কৰিব নোৱাৰে, তেওঁলোকে কেৱল দুৰ্নীতি আৰু কেলেংকাৰীহে কৰিব পাৰে। তেওঁলোকৰ ইতিহাস দুৰ্নীতি আৰু কেলেংকাৰীৰ। শ্বাহে কয় যে মোদী জীয়ে জম্মু-কাশ্মীৰৰ পৰা ৩৭০ অনুচ্ছেদ আঁতৰাই ৰাজ্যখনক ভাৰতৰ অবিচ্ছেদ্য অংগ কৰি তুলিলে। প্ৰধান মন্ত্ৰী মোদীয়ে অযোধ্যাত ৰামলালাক পবিত্ৰ কৰিলে, আনহাতে কংগ্ৰেছে ৰাম মন্দিৰ নিৰ্মাণৰ কাম আবদ্ধ কৰি ৰাখিলে, ডাইভাৰ্ট কৰি ৰাখিলে, পেণ্ডিং কৰি ৰাখিলে। গৃহমন্ত্ৰীগৰাকীয়ে কয় যে কংগ্ৰেছে তুষ্টিকৰণৰ ৰাজনীতিৰ বাহিৰে একো বুজি নাপায়।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# পুৰোহিতৰ বেশত আৰক্ষী

নতুন ড্ৰেছ কোড। জানিব পৰা মতে এতিয়াৰে পৰা মন্দিৰ চৌহদত দায়িত্ব সম্পাদন কৰিবলগীয়া সকলো আৰক্ষীয়েই গেৰুৱা পোছাক, কপালত তিলক আৰু ডিঙিত ৰুদ্ৰাক্ষৰ মালা পৰিধান কৰিব লাগিব। আৰক্ষীৰ এই নতুন ড্ৰেছ কোড সন্দৰ্ভত জানিবলৈ দি বাৰাণসীৰ আৰক্ষী আয়ুক্ত মোহিত আগৰৱালাই কয় যে কাশী বিশ্বনাথ মন্দিৰত তীৰ্থযাত্ৰীৰ ভিৰ অহৰহ বৃদ্ধি পাইছে। দূৰৰ পৰা অহা তীৰ্থযাত্ৰীৰ সৈতে মন্দিৰৰ দায়িত্বত থকা আৰক্ষীয়ে মোকাবিলা কৰিবলগীয়া হয়। ফলত ঠেলা-হেঁচাৰ দৰে ঘটনাও নিয়মিতভাৱে সংঘটিত হৈ আছে। এনে পৰিপ্ৰেক্ষিতত আৰক্ষীৰ বিৰুদ্ধে অসৎ আচৰণৰ অভিযোগো উত্থাপন কৰে বহুতে। গতিকে মন্দিৰ চৌহদত পুলিচিং বেলেগ হ'ব লাগে। আৰু সেই ব্যৱস্থাৰ মন্দিৰৰ পৰিৱেশৰ লগত মিল থকা উচিত। ইয়াৰ পিছতে এই সিদ্ধান্ত লোৱা বুলি দাবী কৰে আৰক্ষী আয়ুক্তই। আৰক্ষী আয়ুক্তৰ মতে সাধাৰণতে ভক্তসকলে মন্দিৰলৈ যাওঁতে পূজাৰীৰ কথা সহজেই গ্ৰহণ কৰে। যাতে ভক্তসকলে কোনো ধৰণৰ বিশৃংখলতাৰ সৃষ্টি নকৰে, মন্দিৰত শৃংখলাবদ্ধ পৰিবেশ বজাই ৰাখে, গতিকে তেওঁলোকক পুৰোহিতৰ বেশত ৰাখি আৰক্ষীৰ কাম সহজ কৰি তোলাৰ কথা চিন্তা কৰা হয়। যাৰ বাবে আৰক্ষীক নতুন বেশ-ভূষা প্ৰদানৰ পৰিকল্পনা কৰা হৈছে। কেৱল সেয়াই নহয়, ভক্তসকলক ক'ত সাৱধান হ'ব লাগে, কি কৰিব লাগে, কি নালাগে সেই বিষয়েও অৱগত কৰিব আৰক্ষীয়ে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# পুলৱামাত গুলীয়াগুলী

চলোৱা অভিযানৰ সময়ত নিৰপত্তাৰক্ষীৰ হাতত নিহত হয় এজন সন্ত্ৰাসবাদী। অঞ্চলটোত সন্ত্ৰাসবাদীৰ এটা দলে আত্মগোপন কৰি থকাৰ বিষয়ে বিশেষ সূত্ৰৰ পৰা নিৰাপত্তা বাহিনীয়ে তথ্য লাভ কৰাৰ পিছতে বৃহস্পতিবাৰে নিৰাপত্তা বাহিনীয়ে মুৰাণ অঞ্চললৈ প্ৰৱেশ আৰু প্ৰস্থানৰ সকলো পথ বন্ধ কৰি দিয়ে। নিৰাপত্তাৰক্ষীৰ সূত্ৰ অনুসৰি অঞ্চলটোত তালাচী অভিযানৰ সময়ত সন্ত্ৰাসবাদীয়ে নিৰপত্তাৰক্ষীৰ ওপৰত গুলিচালনা কৰাত প্ৰত্যুত্তৰ দিয়ে অভিযানকাৰী দলটোৱেও। আৰক্ষীৰ সূত্ৰ অনুসৰি মৃত উগ্ৰপন্থীটোৰ নাম ডেনিছ। তেওঁ শ্ৰীনগৰৰ এলাহিবাগৰ বাসিন্দা। যোৱা মাৰ্চ মাহৰ পৰা নিৰুদ্দেশ হৈ আছিল। সূত্ৰ অনুসৰি প্ৰায় দুবছৰৰ অন্তত শ্ৰীনগৰৰ এজন সন্ত্ৰাসবাদী নিৰাপত্তাৰক্ষীৰ হাতত নিহত হয়।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# অহা ৪ জুনত পুনৰাবৃত্তি

ডিজিটেল ইণ্ডিয়াৰ প্ৰকৃত স্বৰূপ। গুৱাহাটী প্ৰেছ ক্লাৱত আজি অনুষ্ঠিত এক সংবাদমেলত এইদৰে মন্তব্য কৰে ৰাজ্যসভাৰ সাংসদ, প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী তথা জ্যেষ্ঠ কংগ্ৰেছ নেতা জয়ৰাম ৰমেশে। এই সংবাদমেলত নেতাগৰাকীয়ে কংগ্ৰেছৰ পঞ্চ ন্যায় ক্ৰমে যুৱ ন্যায়, নাৰী ন্যায়, কৃষক ন্যায়, শ্ৰমিক ন্যায়, অংশীদাৰিত্বৰ ন্যায় আৰু ২৫টা গেৰাণ্টিৰ কথা উল্লেখ কৰে। মোদী চৰকাৰৰ ১০ বছৰীয়া অন্যায় কালৰ পৰা দেশবাসীক মুক্তি দিবলৈকে কংগ্ৰেছে এই পঞ্চ ন্যায় আৰু ২৫ টা গেৰাণ্টি দাঙি ধৰিছে বুলিও কয় কংগ্ৰেছ নেতাগৰাকীয়ে। তেওঁ কয়, 'সমগ্ৰ দেশৰ প্ৰতিটো পৰিয়ালৰ ঘৰে ঘৰে গৈ আমি গেৰাণ্টি কাৰ্ড বিতৰণ কৰিছো। অসমতো ২১ লাখ পৰিয়ালৰ ঘৰে ঘৰে গেৰাণ্টি কাৰ্ড পোৱাৰ ব্যৱস্থা কৰিছো। এয়া হৈছে কংগ্ৰেছ দলৰ গেৰাণ্টি। এয়া কোনো ব্যক্তি বিশেষৰ গেৰাণ্টি নহয়।' এইবাৰৰ নিৰ্বাচন গণতন্ত্ৰ, সংবিধান আৰু ভাৰতৰ বৈচিত্ৰ্যতা ৰক্ষাৰ নিৰ্বাচন বুলিও তেওঁ মন্তব্য কৰে। 'প্ৰধানমন্ত্ৰীয়ে কৈছে যে যোৱা ১০ বছৰত যি হৈছে সেয়া তেওঁৰ ট্ৰেইলাৰ। আচল চিনেমা হেনো এতিয়াও বাকী আছেই। আমি ক'ব বিচাৰিছো যে মণিপুৰ এক ট্ৰেইলাৰ আছিল। ১১ মাহ পূৰ্বে মণিপুৰত যি হৈছিল সেয়া হৈছে ট্ৰেইলাৰ। এইবাৰ মোদী জয়ী হ'লে ধৰ্ম, জাতি, ভাষা, অঞ্চলৰ নামত সমাজক ভাগ ভাগ কৰা সেই ট্ৰেইলাৰ সমগ্ৰ দেশতে বিয়পি পৰিব। বিদেশৰ কথা কৈ বিদেশত ঘূৰি ফুৰা মোদীয়ে মণিপুৰলৈ এবাৰো নাহিল। মণিপুৰক লৈ মোদীয়ে আজিও মৌনতা ভংগ কৰা নাই।'-জয়ৰাম ৰমেশে কয়। কংগ্ৰেছ নেতাগৰাকীয়ে কয় যে যি সময়ত চীনে ভাৰতৰ ভূখণ্ডত প্ৰৱেশ কৰি আগ্ৰাসন অব্যাহত ৰাখিছে আৰু প্ৰধানমন্ত্ৰীয়ে চীনৰ ৰাষ্ট্ৰপতিৰ সৈতে ঝোলনাত উঠি হাঁহি হাঁহি কথা পাতি ফুৰিছে সেই সময়ত গৃহমন্ত্ৰী অমিত শ্বাহে ১৯৬২ চনৰ কথা ভুলকৈ প্ৰচাৰ কৰাতো মুঠেই যুক্তিসংগত নহয়। ইতিহাসৰ কথা ভুলকৈ উপস্থাপন কৰাটোৱেই বিজেপি আৰু আৰএছএছৰ কাম বুলিও তেওঁ উল্লেখ কৰে। অনহাতে বিৰোধী ঐক্য মঞ্চত থকা দল চিপিআইএমৰ প্ৰাৰ্থী থকাৰ পিছতো বৰপেটা সমষ্টিত কিয় কংগ্ৰেছে টিকট দিলে বুলি সোধা প্ৰশ্নৰ উত্তৰত ৰমেশে কয় যে তেনে হব নালাগিছিল যদিও উক্ত সমষ্টিটোৰ লগতে পশ্চিমবংগ তথা আন কেবাখনো ৰাজ্যত ইণ্ডিয়া এলায়েন্সৰ অংশীদাৰ দলৰ সৈতে বিভিন্ন কাৰণত বন্ধুত্বসুলভ নিৰ্বাচনী প্ৰতিদ্বন্দ্বিতাত অৱতীৰ্ণ হ'বলগীয়া হৈছে। ৪ জুনত ২০০৪ চনৰ লোকসভা নিৰ্বাচনৰ পুনৰাবৃত্তি হব বুলিও কংগ্ৰেছ নেতাগৰাকীয়ে সংবাদমেলত মন্তব্য কৰে। ৪ জুনত ফলাফলৰ লগে লগে অসম তথা উত্তৰ-পূবৰ বাকী ৰাজ্যকেইখনৰ আঞ্চলিক দলসমূহে কংগ্ৰেছৰ দুৱাৰত ভিৰ কৰিব বুলিও তেওঁ কয়। তেওঁ আৰু কয় যে দল এৰি যোৱা সুবিধাবাদী নেতাসকলেও তেতিয়া উভতি আহিবলৈ চেষ্টা চলাব যদিও কংগ্ৰেছক এইবাৰ তেনে সুবিধাবাদী নেতাৰ কোনো প্ৰয়োজনেই নহ'ব। আজিৰ সংবাদমেলত কংগ্ৰেছ নেতাগৰাকীয়ে ইলেক্ট'ৰেল বণ্ড, নিবনুৱা সমস্যা, জিএছটিক লৈয়ো মোদী চৰকাৰক আক্ৰমণ কৰে। চান্দা দিয়া, ধাণ্ডা লোৱা নীতিৰে মোদীয়ে চৰকাৰ চলাই আছে বুলিও তেওঁ অভিযোগ কৰে। অসমত জিএছটিৰ লগতে এইছএছটিও ৰাইজে দিবলগীয়া হৈছে বুলিও কয় কংগ্ৰেছ নেতাগৰাকীয়ে। এই সকলোবোৰৰ মুক্তি পাবলৈ দিল্লীৰ মেইন ইঞ্জিন সলনি কৰিবলৈ তেওঁ আহ্বান জনায়। তেওঁ কয় যে দিল্লীৰ মেইন ইঞ্জিন সলনি কৰিলে অসমতো সকলো সলনি হৈ পৰিব। বিজেপিৰ ডাবোল ইঞ্জিন চৰকাৰৰ ইন্ধন চান্দা আৰু ধান্দা বুলিও তেওঁ কয়। বেংক একাউণ্ট বন্ধ কৰা, ৱাশ্বিং মেচিন লগাই নেতা কাঢ়ি নিয়াকে ধৰি কংগ্ৰেছ দলক দুৰ্বল কৰিবলৈ বিভিন্ন প্ৰকাৰে ভয়-ভাবুকি দিয়া হৈছে যদিও কংগ্ৰেছে সেইবোৰলৈ ভয় নকৰে বুলিও স্পষ্ট কৰি দিয়ে। বিজেপিৰ ৪০০ পাৰৰ শ্ল'গান কোনোপধ্যে সম্ভৱ নহয় আৰু দেশৰ জনতাই এনে শ্ল'গানক বিশ্বাস নকৰে বুলিও কয়। তেওঁ কয়, 'দেশত এতিয়া আণ্ডাৰকাৰেণ্ট চলি আছে। এই আণ্ডাৰকাৰেণ্ট টিভি, বাতৰি কাকত, ছ'চিয়েল মিডিয়াত দেখিবলৈ পোৱা নাযায়। জনতাই এইবাৰ ভিতৰি ভিতৰি মোদীৰ অন্যায় কালৰ পৰা মুক্তি পাবলৈ ঠিৰাং কৰি লৈছে। গতিকে চাৰিশ পাৰৰ শ্ল'গানে কোনো কাম নিদিয়ে। আণ্ডাৰকাৰেণ্টৰ কথা জানিব পাৰি ভয়তে মোদীয়ে এনে শ্ল'গান দি ফুৰিছে।' কংগ্ৰেছ দুৰ্বল হৈছে বুলি মুখ্যমন্ত্ৰীয়ে চলাই থকা প্ৰপাগাণ্ডামূলক প্ৰচাৰক কোনো গুৰুত্ব দিয়াৰ প্ৰয়োজন নাই বুলিও তেওঁ কয়। তেওঁ কয়, 'কংগ্ৰেছ দল এতিয়া নতুন হৈ পৰিছে। এতিয়া কংগ্ৰেছত কোনো সুবিধাবাদী নেতাৰ স্থান নাই। এতিয়া কংগ্ৰেছৰ আদৰ্শ আৰু বিচাৰধাৰাক মনে-প্ৰাণে ভালপোৱা লোকসকলে দলটোক আগতকৈ আৰু শক্তিশালী কৰি তুলিব। ৱাশ্বিং মেচিনত সোমোৱা নেতাৰ কথাত ৰাইজে এতিয়া আৰু ভোল নাযায়। এইবাৰ ভিতৰি ভিতৰি ক্ষুব্ধ হৈ থকা দেশৰ জনতাই এক পৰিৱৰ্তন বিচাৰিছে আৰু সেই আকাংক্ষা ৪ জুনত স্পষ্ট হৈ পৰিব।' নিৰ্বাচনী ফলাফল ঘোষণাৰ দিনা ২০০৪ৰ ফলাফলৰ পুনৰাবৃত্তি হব আৰু একক সংখ্যাগৰিষ্ঠতা পাব বুলিও তেওঁ কয়।

প্ৰেমলাল গঞ্জুৰ হৈ প্ৰচাৰ

# শোণিতপুৰত নিৰ্বাচনী প্ৰচাৰ চলালে সভাপতি ভূপেন বৰাই



**ই-সংবাদ, ১১এপ্ৰিলঃ** শোণিতপুৰ লোকসভা সমষ্টিৰ কংগ্ৰেছ দলৰ প্ৰাৰ্থী প্ৰেমলাল গঞ্জুৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলালে প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰাই। বৃহস্পতিবাৰে গহপুৰৰ বালিজানত উপস্থিত হৈ বৰাই কংগ্ৰেছৰ এখন নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰে। গহপুৰ বিধানসভা সমষ্টিৰ পুব ছয়দুৱাৰ আৰু ছয়দুৱাৰ ব্লক কংগ্ৰেছ কমিটিৰ উদ্যোগত বালিজানৰ চুকাফা ভৱনত নিৰ্বাচনী প্ৰচাৰ সভাখন অনুষ্ঠিত কৰা হয়। নিৰ্বাচনী সভাত ভাষণ প্ৰদান কৰি ভূপেন কুমাৰ বৰাই কয় যে অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই প্ৰলোভন আৰু ফাঁকিৰ ৰাজনীতি কৰি অসমৰ ৰাইজক ৰামঠগন দি আহিছে।অসমৰ ৬ জনগোষ্ঠীক ১০০ দিনৰ ভিতৰত জনজাতিকৰণ কৰাৰ প্ৰতিশ্ৰুতি, চাহ শ্ৰমিকৰ মজুৰি ৩৫১ টকালৈ বৃদ্ধি, অসম চুক্তিৰ ৬ নং দফা ৰূপায়ণ,ছোৱালীৰ বিয়াত এটোলাকৈ সোণ দিম বুলি কৰা ঘোষণা, আকাশলংঘী মূল্যবৃদ্ধি, অংগনবাড়ী কৰ্মী-সহায়িকাৰ আন্দোলন, কৰ্মচাৰীৰ পুৰণি পেঞ্চন নীতি, বান-গৰাখহনীয়াৰ সমস্যা, ১০ লাখ নতুনকৈ নিবনুৱা যুৱক-যুৱতী বৃদ্ধি পোৱা আদি বিষয়বোৰ তল পেলাই মুখ্যমন্ত্ৰী শৰ্মাই এতিয়া কিছুমান বাৰে ভছহ কথা আৰু নাচি বাগি অসমৰ ৰাইজৰ মন জয় কৰাৰ প্ৰচেষ্টা চলাইছে বুলি ভূপেন বৰাই মন্তব্য কৰে। ১২০০ টকাৰ অৰুণোদয় আৰু ৫ কেজিকৈ চাউল দি অসমীয়া জাতিক জীয়াই ৰাখিব বিচৰা হিমন্ত বিশ্ব শৰ্মাই উক্ত গুৰুত্বপূৰ্ণ বিষয়বস্তু সমূহ তল পেলাই যেনেদৰে অসমৰ ৰাইজক প্ৰতাৰণা কৰি আহিছে ইয়াৰ উচিত জবাব এইবাৰৰ লোকসভা নিৰ্বাচনত অসমৰ ৰাইজে দিব বুলি উল্লেখ কৰে। লগতে বৰাই কয় যে কংগ্ৰেছ দলত থাকোতে তৰুণ গগৈক বিশ্বাসঘাতকতা কৰা হিমন্ত বিশ্ব শৰ্মাই বিজেপিলৈ গৈ সৰ্বানন্দ সোণোৱালক লেং মাৰি সাগৰৰ পাৰত পেলাই দিলে। এনে এগৰাকী বিশ্বাসঘাটক নেতাক যোগ্য প্ৰত্যুত্তৰ দিবলৈ অসমৰ ৰাইজ এতিয়া সংকল্পবদ্ধ হোৱা বুলি উল্লেখ কৰে।

# ধেমাজি জিলা আছুৰ প্ৰাক্তন সম্পাদকে যোগ দিলে বিজেপিত

## ডাঃ ৰণোজ পেগুৰ উপস্থিতিত যোগদান সভা

**ই-সংবাদ, ১১এপ্ৰিলঃ** এমাহ আগলৈকে বিজেপি চৰকাৰ আৰু “কা” আইনৰ বিৰুদ্ধে ৰাইজক আভুৱাভাৰি সমালোচনাৰে ফুলজাৰি মাৰিছিল ধেমাজি জিলা ছাত্ৰ সন্থাৰ প্ৰাক্তন সম্পাদক কল্যাণ গগৈয়ে। প্ৰতিবাদী ভাষণ দি দপদপাই থকা এইগৰাকী প্ৰাক্তন সম্পাদক কল্যাণ গগৈয়ে বৃহস্পতিবাৰে বিজেপি দলত যোগদান কৰে । আনহাতে ধেমাজি জিলা বিজেপিৰ সভানেত্ৰী ৰূপা কামানৰ পৰিচালানাত অনুষ্ঠিত হোৱা দলৰ যোগদান কাৰ্য্যসূচীত ধেমাজি জিলা পৰিষদৰ প্ৰাক্তন সভানেত্ৰী তথা অসম মহিলা কংগ্ৰেছৰ সম্পাদিকা জ্যোতিপ্ৰভা দলেও তেওঁৰ স্বামী তথা ধেমাজি জিলা কংগ্ৰেছৰ উপ-সভাপতি প্ৰিয়পৱন দলেৰ সতে আনুষ্ঠানিকভাৱে বিজেপি দলত যোগদান কৰে । ইয়াৰোপৰি জিলা বিজেপিৰ মুখ্য কাৰ্য্যালয়ত অনুষ্ঠিত হোৱা যোগদান কাৰ্য্যসূচীত ধেমাজি জিলা আছুৰ প্ৰাক্তন উপদেষ্টা অনুজ চাংমাই ,প্ৰাক্তন আছু কৰ্মী ক্ৰমে কৃষ্ণ কোচ ,টুৰনজিৎ গগৈ আৰু যদুমনি চমুৱাকে ধৰি কংগ্ৰেছ আৰু অন্যান্য দলৰ প্ৰায় অৰ্ধশতাধিক কৰ্মীয়ে বিজেপিত যোগদান কৰে । তাৎপৰ্যপূৰ্ণভাৱে যোগদানৰ সময়ত বিগত ৩০ বছৰে কংগ্ৰেছ কৰা প্ৰিয়পৱন দলে নামৰ কংগ্ৰেছ কৰ্মীজনে চকুলো টুকিয়েই গেৰুৱা বস্ত্ৰ পৰিধান কৰে । উল্লেখযোগ্য যে নিৰ্বাচনলৈ আৰু কেইটামান দিন থকা আগমুহূৰ্তত এইদৰে বিৰোধীক শক্তিহীন কৰি ইজনৰ পিছত সিজনকৈ বিজেপিত যোগদানৰ তৎপৰতাই শাসকীয় দল কিমান লাভান্বিত হ'ব সেয়া পৰৱৰ্তী সময়তেই পোহৰলৈ আহিব । এইখিনিতে উল্লেখ কৰা প্ৰয়োজন যে যোগদান কাৰ্য্যসূচীত মন্ত্ৰী ডাঃ ৰণোজ পেগুৰ লগতে জিলা আৰু মণ্ডলৰ বিজেপিৰ কৰ্মকৰ্তা সকলে উপস্থিত থাকে ।




এনেকৈয়ে সলনি হয় নীতি-আৰ্দশ! কালিলৈকে চৰকাৰ বিৰোধী আছু নেতা আজি ৰজাঘৰীয়া

# চাবুৱাত লুৰীণজ্যোতিৰ হৈ বিৰোধী ঐক্যমঞ্চৰ ব্যতিক্ৰমী প্ৰচাৰ

**ই-সংবাদ, ১১ এপ্ৰিল :** ডিব্ৰুগড় লোকসভা সমষ্টিত গৰম হৈ পৰিছে নিৰ্বাচনী বতাহ। চাবুৱা -লাহোৱাল সমষ্টিৰ অন্তৰ্গত গাঁৱসমূহত প্ৰচাৰ চলাই বিৰোধী ঐক্যমঞ্চই। টেঙাখাতত সৰ্বানন্দ সোণোৱালৰ হৈ বৃহস্পতিবাৰে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই প্ৰচাৰ চলোৱাৰ সময়তেই চাবুৱাৰ ৰংচঙী পঞ্চায়তত লুৰীণজ্যোতি গগৈৰ হৈ পদযাত্ৰাৰে সমগ্ৰ পঞ্চায়টোত নিৰ্বাচনী প্ৰচাৰ চলোৱা পৰিলক্ষিত হয়। শুভাকাংশী আৰু সমৰ্থকসকলে নাচি নাচি প্ৰখৰ ৰ'দকো নেওচি পদযাত্ৰা কৰিবলৈ ওলাই আহে। উল্লেখ্য যে যি সময়ত বিজেপি মিত্ৰজোঁটে ডিব্ৰুগড় সংসদীয় সমষ্টিত হাইপ্ৰফাইল নেতাকেন্দ্ৰিক প্ৰচাৰত গুৰুত্ব দিছে,স্বয়ং মুখ্যমন্ত্ৰীক নিতৌ প্ৰচাৰত নমাইছে তাৰ বিপৰীতে সাধাৰণ জনগণকলৈ গাঁৱে-ভুঁঞে পদযাত্ৰা কৰি সাধাৰণ ভোটাৰৰ মন জয় কৰাৰ প্ৰয়াস অব্যাহত ৰাখিছে লুৰীণজ্যোতি গগৈয়ে।

# কৰ্মচাৰীসকলৰ মাজত ঈদ-বিহুৰ নাই উচাহ

# লংকা প্ৰাথমিক শিক্ষা খণ্ডৰ শিক্ষক-কৰ্মচাৰীয়ে নাপালে দৰমহা

**ছাদিকুজ জামান মোৰাঝাৰ, ১১ এপ্ৰিলঃ** হোজাই জিলাৰ লংকা প্ৰাথমিক শিক্ষা খণ্ডৰ অন্তৰ্গত শিক্ষক - কৰ্মচাৰীয়ে আজিও নাপালে দৰমহা। ঈদ-বিহুৰ আগতে দৰমহা নাপাই বিমুখ হৈ ঘৰ মুৰা হ'ল শিক্ষক -কৰ্মচাৰীয়ে।যাৰ ফলত নিম্ন প্ৰাথমিক আৰু উচ্চ প্ৰাথমিকৰ হাজাৰৰো অধিক শিক্ষক কৰ্মচাৰীৰ পৰিয়ালত ক্ষোবৰ উদ্গীৰণ হোৱা বুলি জানিব পৰা গৈছে। ঈদ-বিহুৰ কোনো উচাহ দেখা নগল কৰ্মচাৰী পৰিয়ালত। বিষয়াৰ ভুলৰ বাবে এনে পৰিস্থিতিৰ সৃষ্টি হ'ল নেকি?এয়া প্ৰশ্নৰ অৱতাৰণা হৈছে। ৰাজ্য চৰকাৰে বিত্ত বিভাগে মাৰ্চৰ কৰ্মচাৰী দৰমহা ৮ এপ্ৰিলৰ দিয়াৰ নিৰ্দেশ দিয়ে। যদিও লংকা প্ৰাথমিক শিক্ষা খণ্ডৰ খণ্ড প্ৰাথমিক শিক্ষা বিষয়া ইউনুছ আলীৰ চৰম গাফিলতিৰ বাবে মাৰ্চৰ দৰমহা আজিও লাভ কৰাৰ পৰা বঞ্চিত শিক্ষক কৰ্মচাৰীয়ে। উল্লেখ্যে যে লংকা প্ৰাথমিক শিক্ষা খণ্ডত দীৰ্ঘদিনৰ পৰা ভাৰপ্ৰাপ্ত বিষয়াৰে চলিছে। স্থায়ী বিষয়া নিযুক্তি নিদিয়াৰ ফলত এনেদৰে বিভিন্ন কামত চৰম হেমাহি আৰু গাফিলতিৰ খবৰ পোহৰলৈ আহে। এতিয়া যাৱতীয় বিষয় সংক্ৰান্তত ৰাজ্য চৰকাৰে কি ব্যৱস্থা লয় সময়ত লক্ষণীয় হব।



# ১০সহস্ৰাধিক লোকৰ অংশগ্ৰহণেৰে লাহৰীঘাটত পৱিত্ৰ ঈদ-উল-ফিতৰৰ নামাজ সম্পন্ন

**পুলক মেধি,লাহৰীঘাট ১১এপ্ৰিল:** সমগ্ৰ দেশতে আজি উদযাপিত হয় ইছলাম ধৰ্মাৱলম্বী লোক সকলৰ পৱিত্ৰ ঈদ । দীৰ্ঘ প্ৰতীক্ষাৰ অন্তত তথা এমাহ ৰোজা ৰখাৰ পাছত কালি আকাশত পৱিত্ৰ ঈদৰ জোন দেখি আজি ঈদ উল্ ফিতৰৰ নামাজ আদায় কৰে ইছলাম ধৰ্মাৱলম্বী লোক সকলে। সমগ্ৰ দেশৰ লগতে মৰিগাঁও জিলাৰ বৃহৎতৰ লাহৰীঘাটস্থিত গাৰেছুৰ জামে মছজিদত পুৱা ৯-৩০ বজাত হাজাৰ হাজাৰ লোকে একেলগে ঈদ উল ফিতৰৰ সমূহীয়া নামাজ আদায় কৰে। লাহৰীঘাটত আজিৰ পৱিত্ৰ ঈদৰ সমুহীয়া নমাজত ১০ সহস্ৰাধিক লোকে অংশগ্ৰহণ কৰে আৰু নমাজত ধৰ্মপ্ৰাণ ৰাইজক সম্বোধন কৰি ইমামতি কৰে কাৰী শিৰাজুল ইছলাম চাহাবে । লাহৰীঘাটৰ লগতে দাঁতিকাষৰীয়া হাঁহচৰা,দাতিয়ালবড়ী ,গৰমবজাৰ, তিনিচুকীয়া আৰু টেঙাগুৰিৰ ঈদগাহ ময়দানসমূহ আটক ধুনীয়াকৈ সজাই পৰাই তোলাৰ লগতে ঈদ উল ফিতৰৰ সমুহীয়া নামাজ আদায়ৰ বাবে হাজাৰ হাজাৰ মানুহৰ সমাগম ঘটে । ইছলাম ধৰ্মাৱলম্বী লোক সকলে ঈদ উদযাপনৰ বাবে লাহৰীঘাট ঈদগাহ ময়দান খন আটকধুনীয়াকৈ সজাই - পৰাই তুলি ব্যাপক আনন্দ, উল্লাস কৰা পৰিলক্ষিত হয় । ঈদ উপলক্ষে বিভিন্ন ৰং - বিৰঙৰ টুপী, নানা সুগন্ধি দ্ৰব্যৰ লগতে বিভিন্ন প্ৰকাৰৰ খাদ্য সম্ভাৰৰ সৰু বৰ দোকানে লাহৰীঘাট বজাৰত ভৰি পৰিছে । সমুহীয়া নামাজৰ শেষত সকলোৱে একেলগে আল্লাৰ ওচৰত দোৱা - প্ৰাৰ্থনা কৰি কয় যে অসমৰ ঐক্য সম্প্ৰীতি অনাগত ভৱিষ্যত লৈকে শক্তিশালী হৈ থাকক আৰু অসমৰ বুকুত সজীৱ হৈ থাকক স্থায়ী শান্তি, সম্প্ৰীতি আৰু ভ্ৰাতৃত্ববোধ লগতে বিশ্ব শান্তিৰ বাবেও দোৱা কৰে।

# শিক্ষাবিদ, সমাজকৰ্মী অমলপ্ৰভা কোঁচৰ বিয়োগ



**ঘিলামৰা, ১১এপ্ৰিলঃ ঘিলামৰাঃ** ঘিলামৰাৰ বিশিষ্টা শিক্ষাবিদ, সমাজসেৱিকা, সৰ্বৰহী মহিলা তথা অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰী, গোপালপুৰ গাঁৱৰ নিৱাসী উমাকান্ত কোঁচৰ পত্নী অমলপ্ৰভা কোঁচৰ আজি সন্ধিয়া ৫ঃ৪৫ বজাত ৮৩ বছৰ বয়সত বাৰ্ধক্যজনিত কাৰণত বিয়োগ হয়। ১৯৪১ চনত জন্ম গ্ৰহণ কৰা অমলপ্ৰভা কোঁচে ১৯৫৭ চনত ১৪৭ নং থেকেৰাগুৰি প্ৰাথমিক বিদ্যালয়ত সহকাৰী শিক্ষয়িত্ৰী হিচাপে যোগদান কৰি ১৯৬১ চনত ঘিলামৰা টাউন প্ৰাথমিক বিদ্যালয়লৈ বদলি হৈ আহে। পিছত ১৯৭০ চনত পুনৰ গোপালপুৰ প্ৰাথমিক বিদ্যালয়লৈ বদলি হৈ আহে আৰু সুদীৰ্ঘ ৪২ বছৰ চাকৰি কৰি ১৯৯৯ চনৰ নৱেম্বৰ মাহৰ এক তাৰিখে অৱসৰ গ্ৰহণ কৰে। শিক্ষকতাকে জীৱনৰ লক্ষ্য বুলি ধৰি লৈ নিষ্ঠা আৰু শ্ৰদ্ধা সহকাৰে কাম কৰি অৱসৰ গ্ৰহণ কৰা অমলপ্ৰভা কোঁচে নৰ্থ বেংক কলেজ আৰু ঘিলামৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰিচালনা সমিতিৰ সদস্যা, অন্যান্য পিছপৰা জাতিৰ ঢকুৱাখনা সমিতিৰ আজীৱন সদস্যা হিচাপে কাম কৰি অহাৰ লগতে গোপালপুৰ গাঁৱৰ আই সমাজৰ কোষাধ্যক্ষ হিচাপে দায়িত্ব পালন কৰিছিল। আজি তেওঁৰ মৃত্যুত গোপালপুৰ গাঁৱৰ ৰাইজৰ লগতে ঘিলামৰাৰ বিভিন্ন অনুষ্ঠান, ব্যক্তি-বিশেষে গভীৰ শোক প্ৰকাশ কৰি বিদেহ আত্মাৰ সদ্গতি কামনা কৰাৰ লগতে শোকসন্তপ্ত পৰিয়ালৈ সমবেদনা জ্ঞাপন কৰিছে। মৃত্যুৰ সময়ত তেওঁ স্বামী,চাৰিগৰাকী জী, দুজন পুত্ৰ সহ বোৱাৰী, নাতি-নাতিনী, গুণমুগ্ধক এৰি থৈ যায়।

## বিৰোধী শূন্য সৰুপথাৰ, তাছাৰ জয় মানেই মোদীৰ জয়

# বিজেপিৰ হৈ উৰিয়ামঘাটত মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাৰ ব্যাপক নিৰ্বাচনী প্ৰচাৰ

**সৰুপথাৰ,১১ এপ্ৰিলঃ** ঈদ আৰু বিহুৰ মাজতে ১০ নং কাজিৰঙা লোকসভা সমষ্টিৰ অন্তৰ্গত সৰুপথাৰ বিধানসভা সমষ্টিতো বলিবলৈ আৰম্ভ কৰিছে নিৰ্বাচনৰ গৰম বতাহ। শেহতীয়াকৈ ধনশিৰি মহকুমাৰ বিভিন্ন স্থানত অনুষ্ঠিত নিৰ্বাচনী সভাবোৰলৈ ৰাজ্যৰ ৰথী মহাৰথীৰ আগমন ঘটিছে। ২ এপ্ৰিলত স্বয়ং মুখ্যমন্ত্ৰী গৰাকীৰ পিছত কালি মন্ত্ৰী অতুল বৰাৰ পিছত নিৰ্বাচন সমূহত বিশেষ ভূমিকা গ্ৰহণ কৰা অসম নগাৰাজ্যৰ সীমাৰ উৰিয়ামঘাটত আজি উপস্থিত হয়হি মন্ত্ৰী জয়ন্ত মল্ল



বৰুৱা। কাজিৰঙা লোকসভা সমষ্টিৰ বিজেপি দলৰ প্ৰাৰ্থী কামাখ্যা প্ৰসাদ তাছাৰ হৈ উৰিয়ামঘাটত আজি অনুষ্ঠিত কৰা উক্ত সভাত মন্ত্ৰী বৰুৱাই কয় যে কামাখ্যা প্ৰসাদ তাছাৰ জয় মানেই মোডীৰ জয়। তেওঁ কয় যে সৰুপথাৰত বিৰোধী শূন্য হৈ পৰিছে। এইবাৰ কাজিৰঙা লোকসভা সমষ্টিত দলটোৰ প্ৰাৰ্থী গৰাকীয়ে প্ৰায় চাৰে চাৰিলাখ ভোটৰ ব্যৱধানত জিকিব। ৰাজ্যৰ চৈধ্য খন আসনৰ ভিতৰত তেৰখন আসনতেই দলটোৱে জয়লাভ কৰিব বুলিও তেওঁ মন্তব্য কৰে।উক্ত সভাত স্থানীয় বিধায়ক বিশ্বজিৎফুকনেও দলটোৰ প্ৰাৰ্থী গৰাকীৰ হৈ বক্তব্য প্ৰদান কৰে। অৱশ্যে কোনখন আসন হেৰুৱাব বা বিজয় নিশ্চিত নহয় সেই কথা মন্ত্ৰী গৰাকীয়ে স্পষ্ট নকৰিলে।

# ঈদৰ দিনাই মৰিগাঁও সৰুবড়ীত সংঘটিত ভয়ংকৰ পথ দুৰ্ঘটনা

## এটি ১৩ বছৰীয়া কিশোৰ নিহত, দুজন গুৰুতৰভাৱে আহত

মৰিগাঁও, ১১ এপ্ৰিলঃ পবিত্ৰ ঈদ উল্ ফিটৰৰ আনন্দ-উল্লাসৰ মাজতে মৰিগাঁও জিলাৰ মিকিৰভেটা আৰক্ষী থানাৰ অন্তৰ্গত সৰুবড়ীত সংঘটিত হোৱা এটা ভয়ংকৰ পথ দুৰ্ঘটনাত এটি ১৩ বছৰীয়া কিশোৰৰ মৃত্যু হোৱাক কেন্দ্ৰ কৰি অঞ্চলটোত চাঞ্চল্যৰ সৃষ্টি হোৱাৰ উপৰিও গভীৰ শোকৰ ছাঁ পৰিছে। প্ৰাপ্ত তথ্যমতে, জিলাখনৰ মিকিৰভেটা আৰক্ষী থানাৰ অন্তৰ্গত সৰুবড়ী বাবু ঘাটৰ সোনাই নৈৰ দলঙৰ কাষতে ৰৈ থকা ১৩ বছৰীয়া মাছুম আলি নামৰ শিশুটিক এ এছ ২১ এম ৬৭০৯ নম্বৰৰ এখন তীব্ৰ বেগী মটৰচাইকেলে মহতিয়াই নিয়াত ঘটনাস্থলীতে মাছুম আলিৰ মৃত্যু হয়। নিহত শিশুটিৰ ঘৰ জালুগুটিত বুলি জানিব পৰা গৈছে। আনহাতে ঘটনাটোত আঘাতপ্ৰাপ্ত মটৰচাইকেল আৰোহী দুজন



ক্ৰমে শুকুৰ আলী আৰু ৰজত আলিক স্থানীয় ৰাইজে ততাতৈয়াকৈ চিকিৎসাৰ বাবে মৰিগাঁও অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰে যদিও শুকুৰ আলীৰ আঘাত গুৰুত্বৰ হোৱাত উন্নত চিকিৎসাৰ বাবে গুৱাহাটী মেডিকেল কলেজ হাস্পতাললৈ প্ৰেৰণ কৰে। দূৰ্ঘটনা সংঘটিত কৰা দুই মটৰচাইকেল আৰোহী শুকুৰ আলী আৰু ৰজত আলিৰ ঘৰ কালিকাজাড়ীত বুলি জানিব পৰা গৈছে।

## বিদ্যুত, পানী বিনামূলীয়াকৈ প্ৰদান কৰাৰ প্ৰতিশ্ৰুতি আপৰ

# তেজপুৰত আপৰ বিশাল ৰোড শ্ব'ত দিল্লীৰ শিক্ষা মন্ত্ৰী আতিশী

**ই-সংবাদ, ১১ এপ্ৰিলঃ** "অসমৰ জনসাধাৰণে আম আদমী পাৰ্টিক আকোৱালি লৈছে। ডিব্ৰুগড় আৰু শোণিতপুৰ লোকসভা সমষ্টিৰ আপৰ প্ৰাৰ্থী দুগৰাকীৰ সপক্ষে জনসাধাৰণৰ স্বতঃস্ফুৰ্ত সহাঁৰি লক্ষ্যণীয়।" বৃহস্পতিবাৰে তেজপুৰত আম আদমী পাৰ্টিৰ প্ৰাৰ্থী ঋষিৰাজ কৌণ্ডিন্যৰ প্ৰচাৰ অভিযানৰ অংশ হিচাপে এক ৰোড শ্ব' কাৰ্যসূচী মুকলি কৰি দলৰ ৰাষ্ট্ৰীয় নেত্ৰী তথা দিল্লীৰ শিক্ষামন্ত্ৰী আতিশীয়ে এইদৰে কয়। তেজপুৰ চহৰৰ মূঢ়া তেতেলীস্থিত বাজাৰ ইণ্ডিয়াৰ সন্মুখৰ পৰা আৰম্ভ হোৱা ৰোড শ্ব' কাৰ্যসূচীত হাজাৰ হাজাৰ দলীয় কৰ্মী - সমৰ্থকে অংশগ্ৰহণ কৰে। গায়ন- বায়নৰ এটি বিশাল দলৰ গীত নৃত্য পৰিবেশনৰ মাজতে ৰাইজক উদ্দেশ্যি ভাষণ দিয়ে আতিশীয়ে। দিল্লীৰ চৰকাৰে পানী, বিদ্যুত যোগান বিনামূলীয়াকৈ যোগান ধৰাৰ দৰে অসমতো আম আদমী পাৰ্টিয়ে এই অত্যাৱশ্যকীয় সেৱাসমূহ বিনামূলীয়াকৈ আগবঢ়োৱাৰ পোষকতা কৰে। আপৰ লক্ষ্য অসমৰ চাহ শ্ৰমিকৰ ন্যূনতম মজুৰি ৪৫০ টকা, মাটিৰ পট্টা প্ৰদান আৰু ছয় জনগোষ্ঠীৰ জনজাতিকৰণৰ প্ৰসংগও উল্লেখ কৰে আপৰ নেত্ৰ গৰাকীয়ে। এইখিনিতে উল্লেখ কৰা প্ৰয়োজন যে তেজপুৰ চহৰৰ মেইনৰোড হৈ আগবঢ়া বিশাল সমদল ক'ৰ্ট চাৰিআলিত সামৰণি পৰে। আজিৰ এই ৰোড শ্ব'ত আতিশীৰ সৈতে একেলগে এখন খোলা ভানত উঠি প্ৰাৰ্থী ঋষিৰাজ কৌণ্ডিন্যয়ো ৰাইজৰ আশীৰ্বাদ বিচাৰে।আম আদমী পাৰ্টিৰ উত্তৰ পূৰ্বাঞ্চলৰ তত্বাৱধায়ক ৰাজেশ শৰ্মা, ৰাজ্যিক সভাপতি ডাঃ ভবেন চৌধুৰী, আন এগৰাকী ৰাষ্ট্ৰীয় নেতা মনীষ কৌশিকেও ৰোড শ্ব'ত অংশগ্ৰহণ কৰে। শোণিতপুৰত আপৰ প্ৰাৰ্থী ঋষিৰাজ কৌণ্ডিন্যৰ এই প্ৰচাৰে সৰ্বস্তৰৰ লোকৰে দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হয়। ইপিনে, মঙলবাৰে তিনিচুকীয়াত আতিশীয়ে প্ৰথমবাৰৰ বাবে মেখেলা চাদৰ পিন্ধি ৰোড শ্ব'ত অংশগ্ৰহণ কৰিছিল। অসমীয়া সাজ - পাৰত আতিশীৰ ৰোড শ্ব'ত অংশগ্ৰহণৰ বিষয়টোৱে তিনিচুকীয়াবাসীৰ মাজত বিশেষ চৰ্চা লাভ কৰে। অসমীয়া সাজ পাৰৰ প্ৰতি এয়া আতিশীৰ ভালপোৱাৰ দৃষ্টান্ত হিচাপে বিবেচিত হৈছে।




আতিশীক লৈ তেজপুৰৰ ৰাজপথত আপৰ শক্তি প্ৰদৰ্শন

# শেষ পৃষ্ঠা

## হাৰিয়ানাত ভয়ংকৰ পথ দুৰ্ঘটনা, নিহত ৬টা শিশু



**ই-সংবাদ, ১১এপ্ৰিলঃ** বৃহস্পতিবাৰে পুৰা হাৰিয়ানাৰ নৰনাউলত সংঘটিত হয় ভয়ংকৰ পথ দুৰ্ঘটনা। জি এল পাব্লিক স্কুলৰ এখন বাছ দুৰ্ঘটনাগ্ৰস্ত হোৱাৰ ফলত ৬টা শিশুৰ মৃত্যু হোৱাৰ লগতে ২০জনকৈও অধিক আহত হয়। বাছখনত মুঠ ৩৫ৰ পৰা ৪০ টা শিশু আছিল। জিলা প্ৰশাসনৰ তথ্য অনুসৰি আহত ১২ গৰাকী ছাত্ৰ-ছাত্ৰীক স্থানীয় চিকিৎসালয়লৈ প্ৰেৰণ কৰা হৈছে। সংকটজনক অৱস্থাত আন দুজনক ৰোহটক চিকিৎসালয়লৈ উন্নত চিকিৎসাৰ বাবে স্থানান্তৰ কৰা হৈছে। উল্লেখযোগ্য যে আজি স্থানীয় বন্ধৰ দিনাও বিদ্যালয় খোলা ৰাখিছিল বিদ্যালয় কৰ্তৃপক্ষই। মদ্যপান কৰি চলোৱা চালকজনে বাছখনৰ নিয়ন্ত্ৰণ হেৰুৱাই গছত খুন্দা মাৰাৰ ফলত সংঘটিত হয় দুৰ্ঘটনাটো। উল্লেখযোগ্য যে বাছখনৰ ফিটনেছ চাৰ্টিফিকেটৰ ম্যাদ ৬বছৰ পূৰ্বে ২০১৮ চনত শেষ হৈছিল।



ভাগ্যই লগ দিয়া নাই ৰয়েল চেলেঞ্জাৰ্ছ বাংগালুৰুক বৃহস্পতিবাৰেও মুম্বাই ইণ্ডিয়ানছৰ হাতত পৰাজয়









## দুদিনীয়া কাৰ্যসূচীৰে অসমলৈ পঞ্জাৱৰ মুখ্যমন্ত্ৰী ভৱন্ত মান



**ই-সংবাদ, ১১এপ্ৰিলঃ** প্ৰথম পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ প্ৰচাৰ চলাবলৈ শুকুৰবাৰে অসমত উপস্থিত হ'ব পঞ্জাবৰ মুখ্যমন্ত্ৰী ভগৱন্ত মান। দুদিনীয়া কাৰ্যসূচীৰে নিৰ্বাচনী প্ৰচাৰৰ বাবে অসমলৈ আহিব পঞ্জাবৰ আম আদমী পাৰ্টিৰ চৰকাৰৰ মুখ্যমন্ত্ৰীগৰাকী।আপৰ প্ৰাৰ্থী মনোজ ধানোৱাৰৰ প্ৰচাৰৰ বাবে তিনিচুকীয়া জিলাৰ টিংৰাইত নিৰ্বাচনী সমাবেশত অংশগ্ৰহণ কৰিব মুখ্যমন্ত্ৰী মানে। দুপৰীয়া ১ বজাত টিংৰাইৰ বঙালী বালিজানত অনুষ্ঠিত হ'ব নিৰ্বাচনী সমাবেশ। দ্বিতীয় দিনা অৰ্থাৎ ১৩ এপ্ৰিলত বিশ্বনাথ চাৰিআলিত ৰোড শ্ব'ত অংশগ্ৰহণ কৰিব মুখ্যমন্ত্ৰী ভগৱন্ত মানে। দিনৰ ১২ বজাত অনুষ্ঠিত হ'ব ৰোড শ্ব' কাৰ্যসূচী। দলৰ প্ৰাৰ্থী ঋষিৰাজ কৌণ্ডিন্যৰ নিৰ্বাচনী প্ৰচাৰৰ হকে অনুষ্ঠিত হ'বলগীয়া ৰোড শ্ব' কাৰ্যসূচী মুকলি কৰিব পঞ্জাবৰ মুখ্যমন্ত্ৰীগৰাকীয়ে। ১৩ তাৰিখ শনিবাৰে সামৰণি পৰিব মুখ্যমন্ত্ৰী মানৰ দুদিনীয়া ভ্ৰমণসূচী। মুখ্যমন্ত্ৰী মানৰ এই দুদিনীয়া ভ্ৰমণসূচীৰ বিষয়ে সংবাদ মাধ্যমক অৱগত কৰে আপৰ উত্তৰ পূৰ্বাঞ্চলৰ তত্বাৱধায়ক ৰাজেশ শৰ্মাই ।উল্লেখ্য যে আপৰ ৰাষ্ট্ৰীয় নেত্ৰী তথা দিল্লীৰ শিক্ষামন্ত্ৰী আতিশীৰ তিনিদিনীয়া ভ্ৰমণসূচী তথা নিৰ্বাচনী প্ৰচাৰে অসমবাসীৰ পৰা ব্যাপক সঁহাৰি লাভৰ পাছতে অসমলৈ আহি আছে পঞ্জাবৰ মুখ্যমন্ত্ৰী ভগৱন্ত মান ।

newsnextone.comৰ দ্বাৰা গুৱাহাটীৰ পৰা অনলাইনযোগে প্ৰকাশিত আৰু News Next Oneৰ কাৰ্যবাহী সম্পাদক ধ্ৰুৱজ্যোতি ধনন্তৰিৰ দ্বাৰা সম্পাদিত। ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ ৯৩৬৫২২৫২৪৮ | বাৰ্তা সম্পাদকঃ ওৱাহেদৰ ৰহমান